**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

বন বিভাগৰ ভূমি অবৈধভাৱে কোনো ব্যক্তি, প্ৰতিষ্ঠানক আৱণ্টন দিয়া সন্দৰ্ভত তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে বিশেষ তদন্তকাৰী গোট এছ আই টি গঠন কৰিবলৈ সকলো ৰাজ্যৰ মুখ্য সচিব আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰশাসনক নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বি আৰ গাৱাই, ন্যায়াধীশ আগষ্টাইন জৰ্জ মছি আৰু ন্যায়াধীশ কে বিনোদ চন্দ্ৰনৰ তিনিজনীয়া বিচাৰপীঠে নিৰ্দেশনাত উল্লেখ কৰে যে, অবৈধভাৱে কোনো বনভূমি যদি আৱণ্টন দিয়া হৈছে, তেন্তে ৰাজ্য চৰকাৰসমূহে সেয়া উদ্ধাৰ কৰি বন বিভাগক চমজাই দিব লাগিব। যদি ৰাজহুৱা স্বাৰ্থত সেই বনভূমি উদ্ধাৰ কৰাটো সম্ভৱ নহয়, তেন্তে সংশ্লিষ্ট ব্যক্তি, প্ৰতিষ্ঠানৰ পৰা ভূমিৰ মূল্য আদায় কৰি সেয়া বনাঞ্চলৰ নামত ব্যৱহাৰ কৰিব লাগিব বুলি তিনিজনীয়া বিচাৰপীঠে নিৰ্দেশনাত উল্লেখ কৰে। উচ্চতম ন্যায়ালয়ে অবৈধভাৱে আৱণ্টন দিয়া ভূমি এবছৰৰ ভিতৰত হস্তান্তৰ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে ৰাজ্যসমূহক বিশেষ দল গঠনৰো নিৰ্দেশ দি কয়, যে উদ্ধাৰ কৰা বনভূমি একমাত্ৰ বনানিকৰণৰ উদ্দেশ্যে ব্যৱহাৰ হ'ব লাগিব।

০০০০০০

অসম চৰকাৰৰ পূৰ্বে অনুষ্ঠিত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ  লিখিত পৰীক্ষাৰ ফলাফলৰ পাছত এই পদসমূহত নিযুক্তিৰ বাবে ব্যৱহাৰিক আৰু মৌখিক পৰীক্ষা অহা ১৫ জুনৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত কালি এই কথা প্ৰকাশ কৰিছে। পৰীক্ষাৰ এই গোটেই প্ৰক্ৰিয়াটো এমাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে তৃতীয়বৰ্গৰ পদৰ অন্তৰ্ভুক্ত চালক, ষ্টেনোগ্ৰাফাৰ আৰু ইলেক্‌ট্ৰিচিয়ানৰ ব্যৱহাৰিক পৰীক্ষাৰ লগতে চতুৰ্থবৰ্গৰ পদৰ বাবে লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীৰো মৌখিক আৰু ব্যৱহাৰিক পৰীক্ষা একেদিনাই অনুষ্ঠিত হ'ব। ইয়াৰ বাবে চৰকাৰে প্ৰাৰ্থীসকলক আনুষ্ঠানিকভাৱে সকলো তথ্য অৱগত কৰিব।

০০০০০০

১৯৬১ চনৰ ১৯ মে'ত বাংলা ভাষাৰ অধিকাৰৰ বাবে প্ৰাণ আহুতি দিয়া শিলচৰৰ ১১ গৰাকী ছহিদক চৰকাৰী স্বীকৃতিৰ দীৰ্ঘদিনীয়া দাবীক অসম সাহিত্য সভাই সমৰ্থন জনাইছে। একেদৰে শিলচৰ ৰে'লৱে ষ্টেচনক ভাষা ছহিদ ষ্টেচন নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱো লিখিতভাৱে চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে জানিবলৈ দিয়ে। কালি সন্ধিয়া শিলচৰৰ গুৰুচৰণ মহাবিদ্যালয়ৰ আলোচনা চক্ৰ হলত বাংলা সাহিত্য সভা অসমৰ উদ্যোগত এখন সংবাদমেল অনুষ্ঠিত হয়। সভাখনত বাংলা সাহিত্য সভাৰ সভাপতি খগেন্দ্ৰ চন্দ্ৰ দাস, সাধাৰণ সম্পাদক ড০ প্ৰশান্ত চক্ৰৱৰ্তী, অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, মুখ্য সম্পাদক দেৱজিৎ বৰাকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ড০ গোস্বামীয়ে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত সাহিত্যৰ যোগেদি ঐক্য আৰু সম্প্ৰীতিৰ বাৰ্তা দিবলৈ বৰাক উপত্যকালৈ আহিছে বুলি উল্লেখ কৰে। তেওঁ

কয়, যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা দুটাৰ মানুহৰ মাজত ব্যৱধান দূৰ কৰাৰ ক্ষেত্ৰত সাহিত্য মাধ্যম হ'ব পাৰে। তেওঁ মাতৃভাষাৰ চৰ্চাত গুৰুত্ব আৰোপ কৰি কয়, যে সেয়া বাংলা বা অসমীয়াই হওক আজিকালি সামাজিক মাধ্যমৰ প্ৰভাৱত মাতৃভাষা হেৰুওৱাৰ আশংকা হ'ব ধৰিছে। সেয়েহে মাতৃভাষাৰ চৰ্চাত গুৰুত্ব আৰোপ কৰি কয়, যে নতুন প্ৰজন্মই মাতৃভাষাৰ প্ৰতি প্ৰেম গঢ়ি তুলিব লাগিব।

০০০০০০

অসমৰ মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামীৰ জীৱন আৰু অভিজ্ঞতা তথা সাংস্কৃতিক বিষয়ৰ লেখাৰ সংকলন **দাপোনত মোৰ পৃথিৱী** কালি উন্মোচন কৰা হয়। নেডফি প্ৰেক্ষাগৃহত আয়োজিত বৰ্ণাঢ্য অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই গ্ৰন্থখন উন্মোচন কৰে। বিমল বৰাৰ লগতে পৰিচালক জাহ্নু বৰুৱা, সাহিত্যিক ড০ ৰাজেন শইকীয়া, চিকিৎস হৰ্ষ ভট্টাচাৰ্য, আৰোহনৰ প্ৰীতি শইকীয়া আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই গ্ৰন্থখন সমূহীয়াকৈ উন্মোচন কৰে।

০০০০০০

বাক্সা জিলাৰ আনন্দপুৰত কালি ভাৰতীয় জনতা পাৰ্টী মুছলপুৰ মণ্ডলৰ উদ্যোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সু-খ্যাতিৰে উত্তীৰ্ণ শতাধিক ছাত্ৰ-ছাত্ৰীক মানপত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। মছলপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰিদীপ কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন ছাত্ৰ-ছাত্ৰী, অভিভাৱককে ধৰি চাৰিশতাধিক লোক উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগাবলৈ আৰু শিক্ষাৰ প্ৰতি আকৰ্ষণ বঢ়াবলৈ ভাৰতীয় জনতাপাৰ্টী বদ্ধপৰিকৰ বুলি শ্ৰী ডেকাই প্ৰকাশ কৰে।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ নামতৰাডুবিত যোৱা নিশা কপিলি নৈত কৃষ্ণ বৰদলৈ নামৰ এজন লোক সন্ধানহীন হয়। জিলাখনৰ আমাৰ সংবাদদাতাই জনোৱা মতে নিশা মৃতদেহ সৎকাৰ কৰি লোকজনে নৈত গা ধুবলৈ গৈছিল। ৫০ বছৰীয়া লোকজনক আজি পুৱাৰে পৰা হামৰেন আৰু হোজাইৰ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ এটা দলে বিচাৰি অভিযান অব্যাত ৰাখিছে যদিও বাতৰি যুগুতোৱাৰ পৰলৈকে বৰদলৈক উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱা নাই।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব।

০০০০০০

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধ দক্ষিণ এছিয় ফুটবল ফেডাৰেচন, ছাফ ফুটবল প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক পেনাল্টি শ্বুটআউটৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। উত্তেজনাপূৰ্ণ খেলখনত যোৱাবাৰৰ বিজয়ী ভাৰতৰ অধিনায়ক ছিংগামায়ুম শ্বামীয়ে খেলৰ দ্বিতীয় মিনিটতে প্ৰথমটো গ'ল দিয়ে। অৱশ্যে ৬১ মিনিটত বাংলাদেশে এটা গ'ল দি খেলখনত সমতা স্থাপন কৰে। খেল শেষ হোৱালৈকে ১-১ গ'লত ড্ৰ হৈ থকাৰ ফলত পেনাল্টি শ্বুটআউটৰ সহায় ল'বলগীয়া হয়।

০০০০০০

**সমাপ্ত**